যদি তুমি এনেকুৱা কোনো লোকক দেখা পোৱা যিয়ে মুতাশ্বাবিহাতৰ অনুসৰণ কৰে, তেন্তে জানি লবা, সিহঁতৰ কথাই এই আয়াতত কোৱা হৈছে, সিহঁতৰ পৰা সতৰ্ক থাকিবা।

আয়িশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে (ছুৰা আলে ইমৰাণৰ) এই আয়াতটো তিলাৱত কৰিলে, অৰ্থঃ তেৱেঁই তোমাৰ প্ৰতি এই কিতাব (কোৰআন) অৱতীৰ্ণ কৰিছে যাৰ কিছুমান আয়াত 'মুহকাম'(সুস্পষ্ট, দ্ব্যৰ্থহীন), সেইবোৰেই হৈছে কিতাবৰ মূল; আৰু আন কিছুমান হৈছে মুতাশ্বাবিহ, এতেকে যিসকলৰ অন্তৰত বক্ৰতা আছে কেৱল সিহঁতেই ফিতনা আৰু ভুল ব্যাখ্যাৰ উদ্দেশ্যে মুতাশ্বাবিহাতৰ অনুসৰণ কৰে। অথচ আল্লাহৰ বাহিৰে আন কোনেও ইয়াৰ ব্যাখ্যা নাজানে; আৰু যিসকল জ্ঞানত সুগভীৰ তেওঁলোকে কয়, 'আমি এইবোৰৰ প্ৰতি ঈমান পোষণ কৰোঁ, এই সকলোবোৰ আমাৰ প্ৰতিপালকৰ তৰফৰ পৰাই আহিছে'; দৰাচলতে জ্ঞান-বুদ্ধিসম্পন্ন লোকৰ বাহিৰে আন কোনেও উপদেশ গ্ৰহণ নকৰে। (আলে ইমৰাণঃ ৭) আয়িশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছে যে, ইয়াৰ পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যদি তুমি এনেকুৱা কোনো লোকক দেখা পোৱা যিয়ে মুতাশ্বাবিহাতৰ অনুসৰণ কৰে, তেন্তে জানি লবা, সিহঁতৰ কথাই এই আয়াতত কোৱা হৈছে, সিহঁতৰ পৰা সতৰ্ক থাকিবা।

[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এই আয়াতটো তিলাৱত কৰিলেঃ هُوَ الَّذِي أَنْزَلَ عَلَيْكَ الْكِتَابَ مِنْهُ آيَاتٌ مُحْكَمَاتٌ هُنَّ أُمُّ الْكِتَابِ وَأُخَرُ مُتَشَابِهَاتٌ فَأَمَّا الَّذِينَ فِي قُلُوبِهِمْ زَيْغٌ فَيَتَّبِعُونَ مَا تَشَابَهَ مِنْهُ ابْتِغَاءَ الْفِتْنَةِ وَابْتِغَاءَ تَأْوِيلِهِ وَمَا يَعْلَمُ تَأْوِيلَهُ إِلَّا اللَّهُ وَالرَّاسِخُونَ فِي الْعِلْمِ يَقُولُونَ آمَنَّا بِهِ كُلٌّ مِنْ عِنْدِ رَبِّنَا وَمَا يَذَّكَّرُ إِلَّا أُولُو الْأَلْبَـــــابِ} অৰ্থঃ তেৱেঁই তোমাৰ প্ৰতি এই কিতাব (কোৰআন) অৱতীৰ্ণ কৰিছে যাৰ কিছুমান আয়াত 'মুহকাম'(সুস্পষ্ট, দ্ব্যৰ্থহীন), সেইবোৰেই হৈছে কিতাবৰ মূল; আৰু আন কিছুমান হৈছে মুতাশ্বাবিহ, এতেকে যিসকলৰ অন্তৰত বক্ৰতা আছে কেৱল সিহঁতেই ফিতনা আৰু ভুল ব্যাখ্যাৰ উদ্দেশ্যে মুতাশ্বাবিহাতৰ অনুসৰণ কৰে। অথচ আল্লাহৰ বাহিৰে আন কোনেও ইয়াৰ ব্যাখ্যা নাজানে; আৰু যিসকল জ্ঞানত সুগভীৰ তেওঁলোকে কয়, 'আমি এইবোৰৰ প্ৰতি ঈমান পোষণ কৰোঁ, এই সকলোবোৰ আমাৰ প্ৰতিপালকৰ তৰফৰ পৰাই আহিছে'; দৰাচলতে জ্ঞান-বুদ্ধিসম্পন্ন লোকৰ বাহিৰে আন কোনেও উপদেশ গ্ৰহণ নকৰে। এই আয়াতত মহান আল্লাহে অৱগত কৰাইছে যে, তেৱেঁই নবীৰ ওপৰত কোৰআন অৱতীৰ্ণ কৰিছে, য'ত এনেকুৱা আয়াত আছে যিবোৰে স্পষ্টৰূপে অৰ্থ প্ৰকাশ কৰে, যিবোৰৰ দ্বাৰা সহজেই বিধান বুজি পোৱা যায়, যিবোৰ আয়াতৰ অৰ্থত কোনো আসোৱাহ নাই। সেইবোৰেই হৈছে কিতাবৰ মূল তথা উৎস। মতানৈক্যৰ সময়ত সেইবোৰৰ প্ৰতিয়ে প্ৰত্যাৱৰ্তন কৰাৰ নিৰ্দেশ দিয়া হৈছে। আনহাতে আন কিছুমান আয়াত আছে যিবোৰৰ অধিক অৰ্থ থকাৰ কাৰণে কিছুমান লোকৰ ওচৰত আসোৱাহ লাগে। অথবা বেলেগ আয়াতৰ সৈতে অৰ্থত বৈপৰীত্য থকা বুলি ভাবে। এইসমূহ আয়াতৰ ক্ষেত্ৰত মানুহে কিদৰে অৱস্থান কৰে সেই কথা উল্লেখ কৰি আল্লাহে কৈছে, যিসকলৰ অন্তৰত বক্ৰতা আছে সিহঁতে স্পষ্ট আয়াতসমূহক এৰি মুতাশ্বাবিহ আয়াতসমূহকলৈ নিজৰ ইচ্ছামতে ব্যাখ্যা কৰে। যিবোৰৰ দ্বাৰা সিহঁতে মানুহক গোমৰাহ কৰে তথা পথভ্ৰষ্ট কৰে। কিন্তু গভীৰ জ্ঞানীসকলে ভালদৰেই জানে যে এইবোৰ হৈছে মুতাশ্বাবিহ আয়াত। সেয়ে তেওঁলোকে মুহকাম আয়াতসমূহক অগ্ৰাধিকাৰ দিয়ে। আৰু এইবোৰ আয়াত সম্পৰ্কে তেওঁলোকে ঈমান পোষণ কৰে যে এইবোৰ হৈছে আল্লাহৰ ফালৰ পৰা অৱতীৰ্ণ। গতিকে আল্লাহৰ আয়াতত কোনো বৈপৰীত্য নাই। সুস্থ বিবেক সম্পন্ন লোকসকলেহে এই কথা বুজি পায় তথা ইয়াৰ পৰা শিক্ষা লয়। ইয়াৰ পিছত নবী

[illegible] {فأما الذين في قلوبهم زيغ} [illegible]

http://www.sunnah.global/hadeeth/as/show/65062